জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৭৩/২০২৩**

**পাণ্ডু মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপন সমাৰোহত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ**

# ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত পাণ্ডু মহাবিদ্যালয়ৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে ঃ মুখ্যমন্ত্ৰী

### উদ্ভাৱনেই হ'ল অনাগত দিনত ৰাষ্ট্ৰই সঠিক স্থান লাভ কৰাৰ মূল চাবিকাঠি ঃ মুখ্যমন্ত্ৰী

## লক্ষ্যহীন জীৱনক অৰ্থপূৰ্ণ বুলি অভিহিত কৰিব নোৱাৰি ঃ মুখ্যমন্ত্ৰী

### জীৱনত একোটা লক্ষ্য নিৰ্দ্ধাৰণ কৰি সেই লক্ষ্য পূৰণৰ দিশত নিষ্ঠাৰে কাম কৰি যাবলৈ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ২৫ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ১৯৬২ চনতে স্থাপন হোৱা অসমৰ উচ্চ শিক্ষাৰ এক অন্যতম শিক্ষানুষ্ঠান পাণ্ডু মহাবিদ্যালয়ৰ হীৰক জয়ন্তী উদ্‌যাপন সমাৰোহত আজি মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই নিজ নিজ পেচা আৰু বিশেষজ্ঞতাৰ ক্ষেত্ৰত উৎকৃষ্টতা প্ৰদৰ্শন কৰা বহু প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে বিগত ছয় দশক ধৰি উচ্চ শিক্ষাৰ এই অগ্ৰণী প্ৰতিষ্ঠানখনে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত গ্ৰহণ কৰা ভূমিকাৰ প্ৰশংসা কৰে। মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে যে পাণ্ডু মহাবিদ্যালয়ে অনাগত দিনতো পূৰ্বতকৈ অধিক উদ্যমেৰে সমাজত শিক্ষাৰ প্ৰসাৰ অভিযানৰ দিশত নিৰন্তৰ কাম কৰি যাব। অনাগত ২৫ বছৰ অমৃতকাল হিচাপে উদ্‌যাপনৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জনোৱা আহ্বানৰ প্ৰসংগ উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই পাণ্ডু মহাবিদ্যালয়ৰ অধ্যাপক তথা অতীত আৰু বৰ্তমানৰ ছাত্ৰ-ছাত্ৰীসকলক স্বাধীনতাৰ শতবাৰ্ষিকী উদ্‌যাপনৰ সময়ত ৰাষ্ট্ৰই যাতে সঠিক স্থান লাভ কৰিবলৈ সক্ষম হয় তাৰ বাবে অৰিহণা আগবঢ়াবলৈ আহ্বান জনায়। পাণ্ডু মহাবিদ্যালয়ক অঞ্চলটোৰ এক অন্যতম আকাংক্ষিত শিক্ষানুষ্ঠান হিচাপে ৰূপান্তৰিত কৰাটো নিশ্চিত কৰাৰ বাবে তেওঁ এই উচ্চ শিক্ষানুষ্ঠানৰ আন্তঃগাঁথনি উন্নয়ন আৰু শৈক্ষিক বিকাশৰ লক্ষ্যৰে ১৫ বছৰীয়া ৰোডমেপ প্ৰস্তুত কৰিবলৈ মহাবিদ্যালয়ৰ পৰিচালনা সমিতিক আহ্বান জনায়। তেওঁ কয় যে আন্তঃগাঁথনি আৰু নতুন শৈক্ষিক পাঠ্যক্ৰমৰ উপৰি ছাত্ৰ-ছাত্ৰীসকলৰ মাজত লুকাই থকা সুপ্ত প্ৰতিভা বিকশাই তোলাৰ বাবে এক পৰিৱেশ গঢ় দিয়াৰ ওপৰতো গুৰুত্ব দিয়া উচিত।

ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নিজ নিজ বিশেষজ্ঞতা তথা পেছাৰ ক্ষেত্ৰত উৎকৃষ্ট হ'ব পৰাকৈ বৰ্তমানৰ পৰিস্থিতিত উদ্ভাৱনৰ অপৰিসীম গুৰুত্বৰ বিষয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে উদ্ভাৱনৰ জনপ্ৰিয় ধাৰণাটো কেৱল নতুন সামগ্ৰী উদ্ভাৱন বা উৎপাদনৰ মাজতে সীমাবদ্ধ ৰখাৰ বিপৰীতে ইয়াক নতুনত্বৰ জৰিয়তেও পৰ্যবেক্ষণ কৰিব পাৰি। উদ্ভাৱনক মুক্তচিত্তে আদৰি লোৱা উচিত বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্ভাৱনৰ অভাৱে প্ৰায়ে স্থবিৰতাৰ সৃষ্টি কৰে। প্ৰজ্ঞাৰ সাধনা আৰু জ্ঞানৰ অন্বেষণক ভাৰতীয় সভ্যতাৰ দুটা অবিচ্ছেদ্য গুণ বুলি উল্লেখ কৰি সৰ্বাংগীন বিকাশৰ বাবে পাণ্ডু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক এই দুটা গুণ আয়ত্ত কৰিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। গুণোৎসৱ, সাপ্তাহিক ভিত্তিত আৰু ৰাজধানীৰ বাহিৰত কেবিনেট বৈঠক অনুষ্ঠিত কৰাৰ অভিনৱ পন্থা গ্ৰহণ কৰাৰ প্ৰসংগ উল্লেখ কৰি ইয়াৰ জৰিয়তে প্ৰশাসন ব্যৱস্থাটোক সাধাৰণ জনতাৰ ওচৰলৈ লৈ যোৱা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। জীৱনত একোটা লক্ষ্য নিৰ্দ্ধাৰণ কৰি সেই লক্ষ্য পূৰণৰ দিশত নিষ্ঠাৰে কাম কৰি যাবলৈ তেওঁ ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। কোনো লক্ষ্যহীন জীৱনক অৰ্থপূৰ্ণ বুলি অভিহিত কৰিব নোৱাৰি বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই অনুষ্ঠানত ৰাজ্যসভাৰ সাংসদ পৱিত্ৰ মাৰ্ঘেৰিটা, লোকসভাৰ সাংসদ কুইন ওজা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেণ শৰণীয়া, পাণ্ডু মহাবিদ্যালয়ৰ অধ্যক্ষ যোগেশ কাকতিও উপস্থিত থাকে।

**অঃহঃ/হেঃশঃ**
**২৫/৪/২০২৩**